# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-01-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। উমৰাংছ'ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ এজনৰ মৃতদেহ উদ্ধাৰ।

২। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাৰ তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ অত্যাধুনিক পুথিভঁৰাল মুকলি। মঙলদৈত অত্যাধুনিক ক্ৰিটিকেল কেয়াৰ হাস্পতালৰ আধাৰশিলা স্থাপন।

৩। নাগালেণ্ড আৰক্ষীয়ে আটক কৰি ৰখা অসম আৰক্ষীৰ দলক নিৰাপদে উদ্ধাৰ। আহত জোৱানক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ।

৪। চলিত বৰ্ষৰ গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ বহিঃমূল্যায়নৰ প্ৰক্ৰিয়া অব্যাহত। কেইবাখনো জিলাত মন্ত্ৰী-বিধায়কৰ অংশগ্ৰহণ। **আৰু**

৫। ভাৰতৰ এইছ এছ প্ৰণয় মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত।

ooooo

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ ভিতৰত এজনৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে। মৃত শ্ৰমিকজন নেপালৰ উদয়পুৰ জিলাৰ গংগা বাহাদুৰ শ্ৰেষ্ঠ বুলি চিনাক্ত কৰা হৈছে। নৌসেনাৰ ২১ জন ডুবাৰু, সেনাবাহিনী, এছ ডি আৰ এফ, এন ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় আৰক্ষীয়ে বাকীকেইজন শ্ৰমিকক উদ্ধাৰৰ বাবে প্ৰতিকুল বতৰকো নেওচি অভিযান চলাই আছে। খনিটোৰ ভিতৰৰ পৰা নিৰ্গত পানী নিষ্কাশনৰ বাবে কেইবাটাও শক্তিশালী পাম্প ব্যৱহাৰ কৰা হৈছে যদিও পানী এতিয়াও সম্পূৰ্ণকৈ উলিয়াই পঠিয়াব পৰা হোৱা নাই। নৌসেনাই আবদ্ধ শ্ৰমিক কেইজনৰ সম্ভেদ উলিয়াবৰ বাবে পানীৰ তলত চলাচল কৰা দূৰ সংবেদী ব্যৱস্থাচালিত অত্যাধুনিক বিশেষ বাহন ব্যৱহাৰ কৰিছে। উদ্ধাৰকাৰী দলসমূহে অভিযানৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি নিশাৰ ভাগতো উদ্ধাৰকাৰ্য অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তিন কিল'ৰ খনি দুৰ্ঘটনাত পতিত শ্ৰমিকৰ উদ্ধাৰ কাৰ্যত কালিৰে পৰা ক'ল ইণ্ডিয়াৰ এটা দলেও অভিযান চলাই আছে।

ooooo

দুদিনীয়া ভ্ৰমণসূচী লৈ অসমলৈ অহা কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগৎ প্ৰসাদ নাড্ডাই আজি দুপৰীয়া তেজপুৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত নিৰ্মাণ কৰা অত্যাধুনিক পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰায় ১২ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা এই পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটোৱে ছাত্ৰ-ছাত্ৰী, চিকিৎসক আৰু ৰোগীসকলক অধিক সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ১৮৭৬ চনত তদানীন্তন ইংৰাজ চৰকাৰৰ দিনত পগলা ফাটেক নামেৰে পৰিচিত হোৱা এই মানসিক চিকিৎসালয়খন স্থাপন কৰা হৈছিল। ১৯৮৯ চনত এই প্ৰতিষ্ঠানখনক লোকপ্ৰিয় গোপীনাথ বৰদলৈ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান ৰূপে নামকৰণ কৰা হয় আৰু ইয়াক অত্যাধুনিক মানসিক চিকিৎসা প্ৰতিষ্ঠানলৈ উন্নীত কৰা হয়। বৰ্তমান এই প্ৰতিষ্ঠানখনত ৩৭৬ খন বিছনাৰ সুবিধাৰে অত্যাধুনিক মনোৰোগ

চিকিৎসাৰ ব্যৱস্থা আছে। বেয়া বতৰৰ বাবে স্বাস্থ্যমন্ত্ৰী নাড্ডা ইয়াৰ পাছত পথযোগে মঙলদৈলৈ আহে। মঙলদৈত তেওঁ মঙলদৈ অসামৰিক চিকিৎসালয়ত প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ২৩ কোটি ৭৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ক্ৰিটিকেল কেয়াৰ হাস্পতালখনৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছত তেওঁ মঙলদৈ নগৰৰ সমীপৰ গেৰীমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যও পৰিদৰ্শন কৰে। চাংসাৰি অভিমুখে যাত্ৰা কৰাৰ পূৰ্বে শ্ৰীনাড্ডাই মঙলদৈৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেনযুক্ত বাইপাছৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয় আৰু ছিপাঝাৰ অসামৰিক চিকিৎসালয়খনো পৰিদৰ্শন কৰে। বিয়লিৰ ভাগত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে চাংসাৰিৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰতিষ্ঠানখনৰ সঞ্চালককে ধৰি উচ্চ পদস্থ বিষয়া আৰু চিকিৎসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীক আজিৰ আটাইকেইটা কাৰ্যসূচীতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু জ্যেষ্ঠ মন্ত্ৰীসকল- কেশৱ মহন্ত, প্ৰশান্ত ফুকন আৰু অশোক সিংহলেও সংগ দিয়ে। উত্তৰ গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত এভুমুকি মৰাৰ পাছত তেওঁ আজিয়েই নতুন দিল্লীলৈ উভতি যোৱাৰ কথা আছে।

ooooo

নাগালেণ্ডৰ মুককচাং জিলাত প্ৰৱেশ কৰাৰ পাছত নগা লোকৰ আক্ৰমণত আহত অসম আৰক্ষীৰ এজন জোৱানক আজি অসম আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ চৰাইদেউ সংবাদদাতাই জনোৱা মতে যোৰহাট জিলাৰ টীয়ক আৰক্ষীৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ নেতৃত্বত কালি গাড়ী চুৰিৰ ঘটনাৰ তদন্তৰ বাবে নাগালেণ্ডৰ মুককচাং জিলাৰ য়া-চাং-চি বস্তিলৈ যোৱা ১৬ জনীয়া আৰক্ষীৰ দলটোক গাঁওখনৰ একাংশ নগালোকে আক্ৰমণ কৰে আৰু ইয়াৰ ফলত একাদশ অসম আৰক্ষী বেটেলিয়ানৰ জোৱানৰ বিদ্যুৎ দাস গুৰুতৰভাবে আহত হয়। ঘটনাৰ খবৰ পাই নাগালেণ্ড আৰক্ষীৰ এটা দল গাঁওখনলৈ আহে আৰু অসম আৰক্ষীৰ দলটোক তেওঁলোকে আটক কৰি ওৰে নিশা আবদ্ধ কৰি ৰাখে। যোৰহাট জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই এই আৰক্ষীৰ লোকসকলক উদ্ধাৰৰ বাবে মুককচাঙৰ আৰক্ষী অধীক্ষকৰ সৈতে যোগাযোগ কৰে আৰু দুয়োগৰাকী বিষয়াৰ হস্তক্ষেপত অসম আৰক্ষীৰ লোককেইজনক মোকলাই দিয়া হয়। আহত জোৱানজনক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হৈছে। পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে বুলি যোৰহাটৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই প্ৰকাশ কৰিছে--- **বাইট**

ooooo

শিক্ষাৰ গুণগত মান উন্নত কৰাৰ উদ্দেশ্যেৰে শিক্ষা বিভাগে আয়োজন কৰা চলিত বৰ্ষৰ গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ আজি তৃতীয় দিন। শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জিলাখনৰ কেইবাখনো বিদ্যালয় পৰিদৰ্শন কৰি গুণোৎসৱৰ মূল্যায়ন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে গুণোৎসৱত দুৰ্বল প্ৰদৰ্শন কৰা ৰাজ্যৰ একাংশ বিদ্যালয়ত পুনৰ গুণোৎসৱ অনুষ্ঠিত কৰা হ'ব বুলি ঘোষণা কৰে। ইয়াৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে শিক্ষা আৰু আনুসঙ্গিক ক্ষেত্ৰসমূহত দুৰ্বলতা প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীসকলক অতিৰিক্ত পাঠদান কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলক নিৰ্দেশ দিয়ে।

একেদৰে বৰপেটা জিলাতো জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বহিঃমূল্যায়ক হিচাপে গুণোৎসৱৰ কাৰ্যসূচীত উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ১ নম্বৰ দলাহাটী নিম্ন বুনিয়াদী বিদ্যালয়ৰ কাৰ্যসূচীত উপস্থিত থাকি শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ সৈতে মত-বিনিময়ো কৰে। সংবাদ মেলত শ্ৰীপাটোৱাৰীয়ে গুণোৎসৱে ৰাজ্যৰ শিক্ষা ব্যৱস্থাত যোগাত্মক প্ৰভাৱ পেলাইছে বুলি মন্তব্য কৰে। শিক্ষা ব্যৱস্থাৰ দুৰ্বলতাসমূহ গুণোৎসৱৰ জৰিয়তে চিনাক্ত কৰি এইসমূহ আঁতৰোৱাৰ ব্যৱস্থা কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

কোকৰাঝাৰ, দক্ষিণ শালমাৰা মানকাচৰ, গোলাঘাট, বজালী, শ্ৰীভূমি, কাৰ্বি আংলং, লখিমপুৰ, নগাঁও আৰু ওদালগুৰি জিলাতো আজি গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ মূল্যাংকন কৰা হয়। কোকৰাঝাৰ জিলাত বি টি চিৰ বিধায়িনী সভাৰ অধ্যক্ষ কাতিৰাম বড়োৱে বিপিন বিহাৰী প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱৰ মূল্যায়নত অংশগ্ৰহণ কৰে।

ooooo

অসমীয়া কাব্য সাহিত্যৰ জোনাকী যুগৰ ত্ৰিমুৰ্তিৰ অন্যতম  হেমচন্দ্ৰ গোস্বামীৰ জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কবিগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। এই উপলক্ষে কবিগৰাকীৰ জন্মস্থান গোলাঘাটৰ ঢেকিয়ালত জ্যোতি শাখা সাহিত্য সভাৰ উদ্যোগত হেমচন্দ্ৰ গোস্বামী স্মৃতি দিৱসৰ আয়োজন কৰা হয়। সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত পণ্ডিত কবিগৰাকীৰ এটা পূৰ্ণাংগ মূৰ্তিৰ আধাৰশিলা স্থাপন কৰা হয়। উল্লেখযোগ্য যে ঢেকিয়ালৰ গৌৰাংগ সত্ৰত প্ৰয়াত কবিগৰাকীৰ ১৮৭২ চনৰ ৮ জানুৱাৰীত জন্ম হৈছিল।  বহুমুখী প্ৰতিভাৰ অধিকাৰী হেমচন্দ্ৰ গোস্বামী একেধাৰে সফল প্ৰশাসনিক বিষয়া, বুৰঞ্জীবিদ, পূৰাতত্ববিদ, সাংবাদিক, পণ্ডিত আৰু কবি আছিল। প্ৰথম অসমীয়া চনেট কবিতা প্ৰিয়তমাৰ চিঠি লিখি উলিওৱা এই সাহিত্যিকগৰাকীয়ে জীৱনজোৰা সাধনাৰে অসমীয়া ৰাইজক সমৃদ্ধ কৰি থৈ গৈছে।

০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান  দুদিনীয়া অসম আৰু মেঘালয় ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত ৰাজ্যৰ কৃষিমন্ত্ৰী আৰু বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব। মন্ত্ৰী শ্ৰীচৌহানে মেঘালয়ৰ উমিয়ামত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ আঞ্চলিক কেন্দ্ৰৰ সোণালী জয়ন্তী সমাৰোহতো উপস্থিত থাকিব। এই সমাৰোহত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুও উপস্থিত থকাৰ কথা।

কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গুৱাহাটীত আয়োজিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। উত্তৰ পূৰ্বাঞ্চলৰ কৃষি, গ্ৰামোন্নয়ন আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ ৰূপায়ণৰ পৰ্যালোচনাৰ দৃষ্টিকোণৰ পৰা মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ তাৎপৰ্যপূৰ্ণ বুলি বিবেচনা কৰা হৈছে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰনজিত কুমাৰ দাসে আজি বজালিত ২৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ৮খন দলং আৰু তিনিটা পথৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে নিৰ্মাণ কৰিবলগীয়া পথ আৰু দলংকেইখনৰ নিৰ্মাণ গতি লেহেমীয়া হ'লে সংশ্লিষ্ট ঠিকাদাৰ আৰু অন্যান্য জড়িতসকলক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰো ঘোষণা কৰে।

সমাগত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে ন্যায়ালয়ৰ সেউজ সংকেত পালেই অতি শীঘ্ৰে নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব। যোৰহাটত শংকৰ সংঘৰ অধিবেশন আৰু পাঠশালাৰ অসম সাহিত্য সভা অধিবেশনৰ পৰিপ্ৰেক্ষিতত পঞ্চায়ত নিৰ্বাচন দুটা পৰ্যায়ত অনুষ্ঠিত হোৱাৰ বিষয়েও মন্ত্ৰী শ্ৰীদাসে আজিৰ অনুষ্ঠানত অৱগত কৰে।

০০০০০

ধেমাজি জিলাৰ জোনাই অঞ্চলত বান সমস্যা নিয়ন্ত্ৰণৰ কাৰণে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি প্ৰায় ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। জিলাখনৰ মাজেৰে বৈ যোৱা চিয়াং লালী নদীৰ খহনীয়া ৰোধ কৰিবলৈ বেৰাচাপৰিৰ পৰা চেঙাজানলৈ এই মথাউৰিটো নিৰ্মাণ কৰা হ'ব। জোনাইৰ গালিঘাটত মথাউৰি নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰি জলসম্পদ মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান সমস্যা নিয়ন্ত্ৰণ কৰি ভূমি আৰু জনজীৱনৰ সুৰক্ষা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে এই মথাউৰিৰ পৰৱৰ্ত্তী ২৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ নিৰ্মাণ কাৰ্য অচিৰেই আৰম্ভ কৰা হ'ব বুলিও মন্ত্ৰী শ্ৰীহাজৰিকাই জানিবলৈ দিয়ে।

একেদৰে, মাজুলী জিলাতো সোঁৱণশিৰি নৈৰ বাঁওপাৰে চানং কলনীৰ পৰা লুইত খাবলু ঘাটলৈ নিৰ্মাণ কৰিবলগীয়া প্ৰায় ২৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ১৭ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ এটা মথাউৰিৰো আজি আধাৰশিলা স্থাপন কৰা হয়। এই মথাউৰিয়ে বিশ্বজুৰি পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু তথা সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত সহায়ক হ'ব।

০০০০০

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত অহা ২৯ জানুৱাৰীত সোণাৰী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰিবলগীয়া যুৱ সংসদৰ প্ৰস্তুতি সম্পৰ্কত আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ সংসদীয়

পৰিক্ৰমা বিভাগে ৰাজ্যৰ বিভিন্ন স্থানত এনে যুৱ সংসদ অনুষ্ঠিত কৰাৰ বাবে লোৱা সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত চৰাইদেউ জিলাতো এই সংসদৰ আয়োজন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক সংসদৰ গুৰুত্ব আৰু গৰিমা, সংসদীয় কাৰ্যপ্ৰণালী, বিভিন্ন নিয়মাৱলী, প্ৰয়োজনীয় আচাৰ-ব্যৱহাৰ আদি সম্পৰ্কে ব্যৱহাৰিক আভাস দিয়াৰ বাবে আয়োজন কৰা এই যুৱ সংসদত জিলাখনৰ মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব।

ooooo

নিখিল বড়ো ছাত্ৰ সন্থাই তেওঁলোকৰ দীৰ্ঘদিনীয়া শৈক্ষিক সমস্যাৱলীৰ আশু সমাধানৰ দাবীত আজি ৰাজ্যজুৰি জিলা সদৰসমূহত অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। আমাৰ কোকৰাঝাৰ আৰু ওদালগুৰিৰ সংবাদদাতাই জনোৱা মতে অসম ন্যায়িক সেৱাৰ পৰীক্ষা আৰু কেন্দ্ৰীয় শৈক্ষিক যোগ্যতা পৰীক্ষাত বড়ো ভাষাৰ প্ৰশ্নকাকত অন্তৰ্ভুক্ত কৰা, বড়ো মাধ্যমৰ হাইস্কুলক উন্নীত কৰা, মডেল হাইস্কুল স্থাপন কৰা, বড়ো মাধ্যমৰ খালী পদত শিক্ষক নিযুক্তি দিয়া, বিটিআৰ চুক্তিৰ সংশ্লিষ্ট দফা কাৰ্যকৰী কৰা আদি কেইবাটাও দাবী সম্বলিত একোখনকৈ স্মাৰক পত্ৰও ধৰ্মঘটকাৰীসকলে মুখ্যমন্ত্ৰীলৈ বুলি প্ৰেৰণ কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

ooooo

মহাপুৰুষীয়া বৈষ্ণৱ পন্থাৰ মোৱামৰীয়া গুৰু শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ তিৰোভাৱ তিথি উপলক্ষে কাইলৈ তিনিচুকীয়া জিলাত স্থানীয় বন্ধ ঘোষণা কৰা হৈছে। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে আজি এই কথা সদৰি কৰে। কাইলৈ জিলাখনৰ চৰকাৰী কাৰ্যালয় আৰু বিদ্যালয় মহাবিদ্যালয় বন্ধ থাকিব। অৱশ্যে পূৰ্ব নিৰ্ধাৰিত পৰীক্ষা, প্ৰাৰ্থী বাছনিৰ সাক্ষাৎকাৰ, নিৰ্বাচনী প্ৰশিক্ষণ আৰু জৰুৰী সেৱাসমূহ এই বন্ধৰ আওতাৰ বাহিৰত থাকিব।

ooooo

ভাৰতৰ এইছ এছ প্ৰণয়ে কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি এখন বৰ্ষাবিঘ্নিত খেলত কানাডাৰ ব্ৰায়ন য়াঙক ২১-১২, ১৭-২১, ২১-১৫ গেমত পৰাস্ত কৰে। প্ৰণয়ে কাইলৈ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ শ্বি ফেং লীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooo

সমাপ্ত